দৈনিক জনমভূমি, ২৭ এপ্ৰিল, ২০১৫ (পৃষ্ঠা ৬)

# ‘নেপালৰ ভূমিকম্পই উজনিত প্ৰভাৱ নেপেলায়’

**যোৰহাট ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ২৬ এপ্ৰিল ঃ নেপালত হোৱা প্ৰলয়ংকৰী ভূমিকম্পই যোৰহাট বা উজনি অসমত কোনো প্ৰভাৱ নেপেলায়। কিন্তু যিহেতু নেপালৰ দৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলো ভূমিকম্পপ্ৰৱণ হিমালয়ান বেল্টত অৱস্থিত, সেয়েহে ইয়াতো যিকোনো সময়ত ভূমিকম্প অহাৰ সম্ভাৱনা আছে। আজি এই কথা জানিবলৈ দি নৰ্থ-ইষ্ট ইনষ্টিটিউট অব্ ছায়েন্স এণ্ড ৰিছাৰ্চৰ (নেইষ্ট) জিঅ' ছায়েন্স বিভাগৰ মুখ্য বিজ্ঞানী ৰঞ্জু দুৱৰাই কয় যে নেপালত এতিয়াও ভূমিকম্পৰ ‘আফটাৰ শ্বক’ অনুভূত হৈ আছে আৰু অহা দুই-তিনিদিনলৈ আফটাৰ শ্বক হৈ থকাৰ সম্ভাৱনা আছে। কিন্তু ইয়াৰ ফলত উজনি বা যোৰহাট প্ৰভাৱিত হোৱাৰ সম্ভাৱনা নাই। বিজ্ঞানীজনে লগতে কয় যে যদিহে অসমত এনেধৰণৰ ভূমিকম্প আহে, তেনেহ'লে নেপালতকৈ ইয়াত ক্ষয়-ক্ষতিৰ পৰিমাণ বহু বেছি হ'ব। জানিব পৰা মতে, গৱেষণাগাৰটোৰ বিজ্ঞানীসকলে অসমত তথা উত্তৰ পূৰ্বাঞ্চলত হৈ যোৱা কেইবাটাও বৰ-ভূঁইকঁপৰ বিস্তৃত তথ্য অধ্যয়ন কৰি তেনেধৰণৰ ভূমিকম্প এতিয়া হ'লে হ'ব লগা ক্ষয়-ক্ষতিৰ নিৰূপণ কৰাৰ এক গৱেষণা আৰম্ভ কৰিছে। ইয়াৰ ভিত্তিতে বিদ্যালয় পৰ্যায়ৰ শিশুৰ পৰা আৰম্ভ কৰি বিভিন্ন স্তৰৰ লোকৰ মাজত ভূমিকম্প সম্পৰ্কত বিভিন্ন সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিছে। বিজ্ঞানী দুৱৰাই কয় যে নেপালৰ বিধ্বংসী ভূমিকম্পৰ পৰা আমি বিশেষভাৱে সতৰ্ক হৈ থকাৰ শিক্ষা ল'ব লাগে।